## শৈক্ষিক পৰ্যবেক্ষণ প্ৰকাৰ (Types of Educational Superivision) :

শৈক্ষিক পৰ্যবেক্ষণ বৰ্তমান সময়ত শিক্ষাৰ লক্ষ্য, সমাজ আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক গণতান্ত্ৰিক

Scanned with CamScanner

মূল্যবোধৰ আধাৰত বৈজ্ঞানিক দৃষ্টিভংগীৰে গ্ৰহণ কৰা দেখা যায়। শৈক্ষিক পৰ্যবেক্ষণ হ'ল সহযোগিতামূলক আৰু সহসম্বন্ধযুক্ত। গণতান্ত্ৰিক পৰ্যবেক্ষণ নেতৃত্ববোধৰ শিক্ষা দিয়াৰ লগতে সকলোকে সমানে চকু দিয়াৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াত শিক্ষক বা তত্বাৱধায়কজনে আত্মমূল্যায়ণৰ জৰিয়তে নিজৰ ভুল ত্ৰুটিসমূহ দূৰ কৰাৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়া হয়। পৰ্যবেক্ষণক প্ৰধানত দুটা ভাগত ভাগ কৰা হৈছে। তলত এই ভাগসমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

(ক) শৈক্ষিক পৰ্যবেক্ষণ (Academic Supervision)

(খ) প্ৰশাসনীয় পৰ্যবেক্ষণ (Administrative Supervision)

**(ক) শৈক্ষিক পৰ্যবেক্ষণ (Academic Supervision) :**

আধুনিক পৰ্যবেক্ষণৰ এটা ভাগ হৈছে শৈক্ষিক পৰ্যবেক্ষণ। শৈক্ষিক পৰ্যবেক্ষণত শিক্ষকসকলৰ শিক্ষামূলক কাৰ্যসমূহৰ উন্নয়ণত গুৰুত্ব দিয়া হয়। শৈক্ষিক পৰ্যবেক্ষণত পৰ্যবেক্ষকজনে শিক্ষানুষ্ঠানৰ শিক্ষাদান ব্যৱস্থা, শিক্ষাত ব্যৱহাৰ কৰা বিভিন্ন কৌশল বা পদ্ধতি, শিক্ষকৰ দিনপঞ্জী, সময়সূচী, নথি পত্ৰ আদি চোৱা চিতা কৰে। সহ পাঠ্যক্ৰমিক কাৰ্যসূচী সমূহৰ ব্যৱহাৰ আৰু তাৰ মূল্যায়ণো শৈক্ষিক পৰ্যবেক্ষণৰ অন্তৰ্গত। শৈক্ষিক পৰ্যবেক্ষণে বিদ্যালয়ত এক সুস্থ পৰিবেশ ৰচনাত গুৰুত্ব দিয়ে, যাতে সেই পৰিবেশ প্ৰত্যেক শিক্ষাৰ্থীৰ শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব পাৰে। শৈক্ষিক পৰ্যবেক্ষকজনে বিভিন্ন ঠাইৰ অভিজ্ঞতাৰ সমাহাৰ ঘটাই শিক্ষাৰ নতুন আঁচনি প্ৰস্তুত কৰি অনগ্ৰসৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলক আগবঢ়াই নিবলৈ চেষ্টা কৰে।

**(খ) প্ৰশাসনীয় পৰ্যবেক্ষণ (Administrative Supervision) :**

শৈক্ষিক পৰ্যবেক্ষণৰ আন এটা উল্লেখযোগ্য ভাগ হৈছে প্ৰশাসনীয় পৰ্যবেক্ষণ। বিভিন্ন প্ৰকাৰৰ প্ৰশাসনমূলক কাৰ্যকলাপ সম্পাদন কৰাত প্ৰশাসনীয় পৰ্যবেক্ষণে যথেষ্ট অৰিহনা যোগায়। শিক্ষানুষ্ঠানসমূহৰ জমা-খৰছ সঠিক হিচাপে আৰু বিভিন্ন তথ্য পাতি সঠিক পঞ্জীয়ন হৈছে নে নাই সেইটো লক্ষ্য কৰা দায়িত্ব প্ৰশাসনীয় পৰ্যবেক্ষকৰ। এজন পৰ্যবেক্ষকৰ প্ৰশাসনীয় কাৰ্যবোৰ হ'ল চৰকাৰে দিয়া টকা পইচা বা আৰ্থিক অনুদানৰ ব্যৱহাৰ তথা বিত্তীয় বিষয়বোৰ পৰীক্ষা নিৰীক্ষা কৰা। তাৰোপৰি শিক্ষানুষ্ঠানসমূহলৈ প্ৰেৰণ কৰা চৰকাৰী নীতি নিৰ্দেশনা সঠিকভাৱে কাৰ্য ক্ষেত্ৰত প্ৰয়োগ হৈছে নে নাই তাৰ প্ৰতিও প্ৰশাসনীয় পৰ্যবেক্ষকে চকু দিব লাগে। প্ৰশাসনীয় সংস্কাৰ সাধনত পৰ্যবেক্ষকৰ সহানুভূতিশীল নিৰ্দেশনাই শিক্ষকসকলক যথেষ্ট অনুপ্ৰাণিত কৰে।

শিক্ষা প্ৰক্ৰিয়াটোৰ দিক নিৰ্ণয়কাৰী হিচাপে শৈক্ষিক পৰ্যবেক্ষণৰ গুৰুত্ব অপৰিসীম। শৈক্ষিক পৰ্যবেক্ষণে শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াৰ উন্নতি সাধন কৰি শিক্ষাক নিশ্চিত লক্ষ্যত উপনীত কৰোৱাত যথেষ্ট পৰিমাণে সহায় কৰে। শিক্ষকসকলক শিক্ষাদানৰ সময়ৰ উপযুক্ত পৰিকল্পনা প্ৰদান, শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা, পাঠ্যক্ৰমৰ উন্নতিকৰণ আৰু মূল্যায়ণত শৈক্ষিক পৰ্যবেক্ষণে শিক্ষা ব্যৱস্থাক পৰিচালিত কৰা দেখা যায়।

Scanned with CamScanner